# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
**-------------------**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি আয়োগৰ সৈতে পৰ্যালোচনা বৈঠক।

২। ভূটানৰ গেলেফু মাইণ্ড ফুলনেছ চিটীৰ প্ৰতিনিধি দলৰ আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দিশপুৰত সাক্ষাৎ।

৩। মিজোৰামৰ ৰাজধানী আইজলৰ সমীপৱৰ্তী চাইৰাং দেশৰ ৰেল মানচিত্ৰত অন্তৰ্ভুক্ত।

৪। মণিপুৰৰ মেইটেই সংগঠন আৰম্বাই টেঙলে ৭ জুনৰ পৰা আহ্বান জনোৱা বন্ধ প্ৰত্যাহাৰ। ***আৰু***

৫। উৎকট গৰমৰ বাবে ৰাজ্যখনৰ প্ৰায়বোৰ জিলাতে বিদ্যালয়ৰ পাঠদান আৰম্ভৰ সময় পুৱা চাৰে সাত বজা কৰাৰ  সিদ্ধান্ত।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি আয়োগৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত এই নিযুক্তি প্ৰক্ৰিয়াৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই হ'বলগীয়া দক্ষতা পৰীক্ষাসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে তেওঁ আজি বৰাক উপত্যকাৰ মন্ত্ৰী, বিধায়ক আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়াসকলৰ সৈতে অঞ্চলটোৰ উন্নয়নৰ সৈতে জড়িত এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বৰাকৰ তিনিওখন জিলাত সম-উন্নয়ন  নিশ্চিত কৰাৰ উদ্দেশ্যে কেইবাটাও পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসামৰিক চিকিৎসালয়সমূহত এম আৰ আইৰ সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত বিভাগীয় সমন্বয় অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। বৈঠকত বৰাকত সাংস্কৃতিক আৰু ক্ৰীড়া মহোৎসৱৰ পৰিকল্পনাৰ উপৰি দিল্লী আৰু কলকাতাত প্ৰস্তাৱিত বৰাক ভৱন সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

অসম আৰু মেঘালয়ত ছদিনীয়া ভ্ৰমণসূচীৰে অহা ভূটানৰ গেলেফু মাইণ্ড ফুলনেছ চিটীৰ প্ৰতিনিধি দলটোৱে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। ১১ জনীয়া দলটোৱে এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীৰ সৈতে দেশখনৰ সম্পৰ্ক শক্তিশালী কৰা বিষয় লৈ আলোচনা কৰা হয়। এই আলোচনা, শিক্ষা, দক্ষতা বিকাশ, উদ্যমিতা বিকাশ, সাংস্কৃতিক আৰু আধ্যাত্মিক বিনিময়কে ধৰি কেইবাটাও বিষয়ে স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে দলটোক ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানসমূহ পৰিদৰ্শন কৰিবলৈ আহ্বান জনায়।  এই বৈঠকত দেশখনৰ সৈতে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি, প্ৰযুক্তি আৰু ধৰ্মীয় যোগাযোগ স্থাপন সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুকৰ পূৰ্বৰ ভ্ৰমণৰ কথা স্মৰণ কৰি অদূৰ ভৱিষ্যতে ভূটানৰ সম্পূৰ্ণ ৰাজ পৰিয়ালক আতিথ্য কৰাৰ বাবে অসম চৰকাৰ আগ্ৰহী বুলি প্ৰকাশ কৰে। ৭ জুনত

গুৱাহাটীত উপস্থিত হোৱা দলটোৱে এই ভ্ৰমণৰ প্ৰথমদিনা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰে। ইয়াৰ পাছত তেওঁলোকে আই আই টি গুৱাহাটীত উপস্থিত হৈ প্ৰতিষ্ঠানটোৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহাল প্ৰমুখ্যে কেইবাগৰাকীও অধ্যাপকৰ সৈতে মত বিনিময় কৰে। দলটোৱে বাঁহ ব্যৱহাৰ কৰি আই আই টিয়ে কৰা অভিনৱ তথা বহনক্ষম সামগ্ৰী নিৰ্মাণ আৰু থ্ৰী ডি প্ৰিণ্টেড সঁজুলিৰ লেখীয়া উদ্ভাৱনীমূলক কাৰ্যকলাপসমূহ প্ৰত্যক্ষ কৰে। দলটোৱে দেওবাৰে গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানা পৰিদৰ্শন কৰি মাণ্ডলিক বন বিষয়া অশ্বিনী কুমাৰৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ ১১ বছৰৰ কাৰ্যকাল সম্পূৰ্ণ হোৱা উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ বাজপেয়ী ভৱনত এখন সংবাদমেলৰ আয়োজন কৰে। ড০ শৰ্মাই বিগত সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত ৰাজ্যখনত বিকাশৰ খতিয়ান দাঙি ধৰে। তেওঁ এই ১১ বছৰত দেশৰ জনসাধাৰণে ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক উত্থানৰ জৰিয়তে এটা গৌৰৱোজ্জল অধ্যায়ৰ সাক্ষী হ'ল বুলি উল্লেখ কৰে। তেওঁ কয়, যে বৰ্তমান দেশৰ ১৪০ কোটি নাগৰিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ সপোন তথা দৰ্শনৰ সমভাগী হৈছে। এতিয়া সমগ্ৰ বিশ্বই ভাৰতক এখন শক্তিশালী ৰাষ্ট্ৰ হিচাপে গন্য কৰে বুলি উল্লেখ কৰি ড০ শৰ্মাই ভাৰত বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতিত পৰিণত হৈছে বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ দ্বাৰা ভাৰতক গোলকীয় শক্তিৰূপে গঢ়ি তোলা সন্দৰ্ভত আলোকপাত কৰা হৈছে। ------ **ভইচ** -----

০০০০০

দেশৰ ৰে'ল মানচিত্ৰত মিজোৰামৰ ৰাজধানী আইজল অন্তৰ্ভুক্ত হৈছে। পাহাৰীয়া ৰাজ্যখনৰ বাবে স্মৰণীয় দিন হিচাপে বিবেচিত আজিৰ দিনটোতে ৫১ দশমিক ৩-৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভৈৰৱী-চাইৰাং ৰে'লপথক ৰে'ল চলাচলৰ উপযোগী বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ নিৰাপত্তা আয়ুক্তই প্ৰমাণিকৃত কৰিছে। ৰে'লৱে নিৰাপত্তা আয়ুক্ত সুমিত সিংহালে তেওঁৰ ৫ দিনীয়া ৰে'ল পথ পৰীক্ষণৰ আজি অন্তিম দিনা হৰিটকি আৰু চাইৰাঙৰ মাজৰ ৩৩ দশমিক ৮- ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথছোৱা ৰে'ল চলাচলৰ উপযোগী বুলি নিশ্চিত কৰে।

উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই আমাৰ সংবাদদাতাক জনোৱা মতে, এই ৰে'লপথছোৱা নিৰীক্ষণৰ সময়ত মটৰ চালিত ট্ৰলী, আৰু পাছত ৰে'লগাড়ীৰ ইঞ্জিন আৰু ডবা ব্যৱহাৰ কৰা হয়। পাটকাই-আৰাকান পৰ্বতমালাৰ লুচাই পাহাৰৰ দুৰ্গম অঞ্চলেৰে নিৰ্মাণ কৰা এই ৰে'লপথছোৱাত ৩২টা সুৰংগ, ৫৫খন মূল দলং, ৮৯খন লঘু দলং আছে। ইয়াৰে সুৰংগসমূহৰ মুঠ দৈৰ্ঘ্য হৈছে ২১ দশমিক ৮-৫-৩ কিলোমিটাৰ। এই পথছোৱা নিৰ্মাণ কৰা উচ্চতাৰ দলঙখন কুতুব মিনাৰতকৈও ৪২ মিটাৰ ওখ। এই ৰেলপথ প্ৰকল্পত হৰটকি, কনপুই, মুৱালখাং আৰু ছাইৰাং - এই চাৰিটা ষ্টেচন আছে। ৰে'লৱে সুৰক্ষা আয়ুক্তই ৰে'ল চলাচলৰ সেউজ সংকেত দিয়াৰ পাছত অহা ১৭ জুনত এই ৰেলপথ সকলো

ধৰণৰ ৰেলগাড়ী চলাচলৰ বাবে মুকলি কৰা হব আৰু অহা মাহৰ ভিতৰত আইজলৰ নিকটৱৰ্তী চাইৰাং ষ্টেছনৰ পৰা দেশৰ বাকী অংশলৈ পোনপটীয়া ৰে'ল যোগাযোগ আৰম্ভ হ'ব।

ooooo

মেইটেই সংগঠন আৰম্বাই টেংগলে মণিপুৰত যোৱা ৭ জুনৰ পৰা আহ্বান জনোৱা বন্ধ আজি প্ৰত্যাহাৰ কৰাৰ ফলত ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘুৰি আহিব বুলি আশা কৰা হৈছে। সংগঠনটোৱে কেতবোৰ অনাকাংক্ষিত ঘটনাই তেঁওলোকৰ আন্দোলনৰ কাৰ্যসূচী বিপথে পৰিচালিত কৰাৰ লগতে জনসাধাৰণ অসুবিধাৰ সন্মুখীন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আজি তাৎক্ষণিকভাৱে বন্ধ প্ৰত্যাহাৰৰ সিদ্ধান্ত লয়। সংগঠনটোৰ সূত্ৰই প্ৰকাশ কৰা মতে, তেওঁলোকৰ আন্দোলনত কেতবোৰ অগণতান্ত্ৰিক উপাদান সোমাই পৰাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হয়। তদুপৰি ৰাজ্যখনত সাম্প্ৰতিক বানত হোৱা বিস্তৰ ক্ষয়-ক্ষতিৰ পাছত এই বন্ধ কাৰ্যসূচীয়ে জনসাধাৰণক অসুবিধাত পেলাইছে বুলি উপলব্ধি কৰি বন্ধ প্ৰত্যাহাৰ কৰা হয় বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। অৱশ্যে সংগঠনটোৱে তেওঁলোকৰ গ্ৰেপ্তাৰ হোৱা সদস্যৰ মুক্তিৰ দাবী অব্যাহত ৰাখিব আৰু গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন চলাই যাব বুলি প্ৰকাশ কৰিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় নেতাসকলৰ সৈতে আলোচনাৰ বাবে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বীৰেণ সিং ৰাজ্যসভাৰ সাংসদ লেইচেম্বা চানাজাওবাৰ সৈতে কালি নতুন দিল্লীলৈ ৰাওনা হয়। ২০২৩ চনৰ মে'ৰ পৰা ৰাজ্যখনত জনগোষ্ঠীয় হিংসাৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰম্বাই টেংগল গোটৰ এগৰাকী নেতা কানন সিঙকে ধৰি পাঁচজন নেতাক চি বি আইৰ দ্বাৰা গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি যোৱা শনিবাৰৰ পৰা ৰাজ্যখনৰ ৫ খন জিলাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। ৰাজ্যখনৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পাঁচখন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শনিবাৰে নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবাল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত এই নিষেধাজ্ঞা জাৰি কৰা হয়।

ooooo

আসাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নে ট্ৰিবিউন গোষ্ঠীৰ বৰ্তমানৰ বিত্তীয় সংকটৰ সমাধানৰ বাবে চৰকাৰৰ পৰা বিজ্ঞাপনৰ বাবদ পাবলগীয়া ধন সময়মতে আদায় দিবলৈ অসম চৰকাৰক অনুৰোধ জনাইছে। আজি দুপৰীয়া গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত ইউনিয়নৰ সভাপতি শিৱপ্ৰসাদ ডেকা আৰু সাধাৰণ সম্পাদক দুগ্ধৰাম কলিতাই কয়, যে ট্ৰিবিউন গোষ্ঠীৰ কৰ্মচাৰীসকলে যোৱা মাৰ্চৰ দৰমহাৰ ৭৫ শতাংশ লাভ কৰিছে আৰু এপ্ৰিল আৰু মে'ৰ দৰমহা আজি পৰ্যন্ত লাভ কৰা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত ইউনিয়নে যোৱা ১৩ মে'ৰ পৰা আসাম ট্ৰিবিউন পৰিসৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই ৮৭ বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা আসাম ট্ৰিবিউন কাকতে অসমীয়া জাতীয় জীৱনৰ সমৃদ্ধি আৰু জাতীয় সমস্যাৱলী সমাধানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি কৰ্মচাৰী সংগঠনটোৱে মন্তব্য কৰে। বৰ্তমান সময়ত সামাজিক মাধ্যমত আসাম ট্ৰিবিউন গোষ্ঠীৰ মালিকনা হস্তান্তৰকে ধৰি কেতবোৰ বাতৰি প্ৰকাশ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইউনিয়নৰ স্থিতি স্পষ্ট কৰাৰ বাবেই আজিৰ এই সংবাদমেলৰ প্ৰয়োজন হৈছে বুলি সভাপতি ডেকা আৰু সাধাৰণ সম্পাদক কলিতাই মন্তব্য কৰে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পটভূমিত অসমীয়া কাকত আলোচনীক ৰক্ষা কৰাৰ বাবে চৰকাৰে অধিক সক্ৰিয় ভূমিকা লব লাগে বুলিও তেওঁলোকে মত প্ৰকাশ কৰে।

ooooo

কামাখ্যা মন্দিৰত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মহাযোগ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীদাসে দেশী-বিদেশী অগণন ভক্তৰ সমাগম হ'বলগীয়া অম্বুবাচী মহাযোগ শৃংখলাবদ্ধভাৱে পৰিচালনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। অম্বুবাচী মহাযোগত অংশগ্ৰহণ কৰিবলৈ অহা ভক্তসকলৰ বাবে এইবাৰ ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰী শ্ৰীদাসে কয়, যে এই সমগ্ৰ বিষয়টো আলোচনাৰ বাবে কামাখ্যা মন্দিৰৰ ৩ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত দল-সংগঠনসমূহক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। তেওঁ এই সময়ছোৱাত সমদল উলিয়াই আধ্যাত্মিক পৰিৱেশ বিনষ্ট নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে অম্বুবাচী মহাযোগৰ সময়ত জোতা-চেণ্ডেল পৰিধান কৰি মা কামাখ্যা মন্দিৰলৈ নাযাবলৈও ৰাইজক আহ্বান জনায়।

ooooo

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ, নগাঁও, মৰিগাঁও, যোৰহাটকে ধৰি প্ৰায়বোৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰাৰ বাবে বিদ্যালয়সমূহৰ পৰিদৰ্শকে এটা নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি কাইলৈৰ পৰা নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা চাৰে ১১ বজালৈ, মধ্য ইংৰাজী বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ কৰা হ'ব। বিদ্যালয়সমূহক লগতে প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে ব্লেজাৰ, ৰেচকোট বা টাই পৰিধান কৰিব নালাগে আৰু জোতা পিন্ধি অস্বস্তি অনুভৱ কৰা ছাত্ৰ-ছাত্ৰীসকলে চেণ্ডেল পিন্ধিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। গৰমৰ বাবে কোনো ছাত্ৰ-ছাত্ৰীয়ে অসুবিধা পালে তাৎক্ষণিকভাৱে নিকটৱৰ্তী চিকিৎসালয়ৰ সৈতে যোগাযোগ কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে।

ooooo

কৃষিমন্ত্ৰী তথা নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই আজি মুখ্যমন্ত্ৰী নগৰীয়া মহিলা উদ্যমিতা অভিযানৰ জিলা পৰ্যায়ৰ কাম-কাজ পৰ্যালোচনা কৰাৰ বাবে সাংসদ ফণীভূষণ চৌধুৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত মিলিত হয়। এই বৈঠকত আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লৈ মহিলাসকলক উপকৃত কৰিব পৰাকৈ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত যাৱতীয় কাম-কাজসমূহ সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। জিলাখনত মিছন বসুন্ধৰা, অৰুণোদয়, অসম মালাকে ধৰি বিভিন্ন চৰকাৰী কল্যানকামী ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী বৰাই সেই সন্দৰ্ভত কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে মহিলা আত্মসহায়ক গোটৰ সদস্যাসকলক গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগীলৈ ৰূপান্তৰ কৰাৰ লক্ষ্য লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে হিতাধিকাৰীসকলৰ সৈতে আৰ্থিক সাহায্য লাভ কৰি বছৰি কমেও এক লাখ টকাকৈ উপাৰ্জন কৰিবলৈ সমৰ্থ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

অসম চৰকাৰৰ পৰা ২০২৪-২৫ বৰ্ষৰ শিল্পী পেন্সন আৰু বাৰ্ষিক শিল্পী সন্মান প্ৰাপকসকলক আজি দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। জিলাখনৰ ৭ গৰাকী নিয়মীয়া শিল্পী পেন্সনপ্ৰাপক আৰু ১৪ গৰাকী বাৰ্ষিক শিল্পী পেন্সন সন্মান লাভ কৰা ব্যক্তিক আজি আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শিল্পীসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানৰ পাছত জিলা আয়ুক্তগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জিলাখনত বৰ্তমান ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক কাম-কাজসমূহৰ বিষয়ে অৱগত কৰে।

ooooo

সমাপ্ত